আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ


Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, FEBRUARY 17, 2024>> 10 PM   www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৫১   Guwahati, Assam ।। মূল্যঃ এটকা


# অসমৰ জেলৰ পৰা চলিছে পঞ্জাৱৰ উগ্ৰপন্থী সংগঠন!

## ডিব্ৰুগড়ৰ কাৰাগাৰত উদ্ধাৰ পেন কেমেৰা, মোবাইল

ই-সংবাদ, ডিব্ৰুগড়, ১৭ ফেব্ৰুৱাৰীঃ সুকীয়া খালিস্তানৰ দাবীত আন্দোলন কৰি ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত গ্ৰেপ্তাৰ হোৱা পঞ্জাৱৰ খালিস্তানী বিদ্ৰোহী অমৃত পাল সিং ওৰফে সান্ধু বৰ্তমানেও অসমৰ কাৰাগাৰতে আছে। কিন্তু অসমৰ কাৰাগাৰৰ পৰাই অমৃত পাল সিঙে ৱাৰিছ পাঞ্জাৱ দে নামৰ উগ্ৰপন্থী সংগঠন চলাইছে বুলি সন্দেহ কৰা হৈছে। কিয়নো কাৰাগাৰৰ ভিতৰত বিভিন্ন যোগাযোগৰ সামগ্ৰী মজুত শেষাংশ ৪ পৃষ্ঠাত






ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰৰ পৰা উদ্ধাৰ হোৱা সামগ্ৰীসহ ডিজিপিৰ টুইট, আনখন ফটোত অমৃতপাল (ফাইল ফটো)

## ৯ জন নিহত

# ফটকা কাৰখানাত বিস্ফোৰণ

চেন্নাই, ১৭ ফেব্ৰুৱাৰীঃ তামিলনাডুৰ এটা ফটকা ফেক্টৰীত শনিবাৰে সংঘটিত ভয়ংকৰ বিস্ফোৰণৰ ঘটনাত ৯ জন লোক নিহত হোৱাৰ লগতে আন কেইবাজনো শেষাংশ ৩ পৃষ্ঠাত

## কেজৰিৱালৰ দাবী

# ২০২৯ত বিজেপি মুক্ত হ'ব ভাৰত!

নতুন দিল্লী, ১৭ ফেব্ৰুৱাৰীঃ বিধানসভাৰ মজিয়াত পুনৰ এবাৰ নিজৰ শক্তি প্ৰদৰ্শন কৰি বিৰোধী বিজেপিৰ বিৰুদ্ধে সৰৱ হৈ পৰিল দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল। শেষাংশ ২ পৃষ্ঠাত

# বিপিএফৰ পৰা খেলিব পৃথ্বীৰাজে!

ই-সংবাদ, ১৭ ফেব্ৰুৱাৰীঃ একলা চলৌ নীতি অৱলম্বন কৰিছে বিটিচিৰ মুখ্য বিৰোধী দল বিপিএফে। শাসকীয় বিজেপি, বিৰোধী কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদৰ সৈতে মিত্ৰতা নকৰি শেষাংশ ৩ পৃষ্ঠাত

# মধ্যপ্ৰদেশতো কমলৰ প্ৰতি আকৰ্ষিত কংগ্ৰেছৰ কমল

ভূপাল, ১৭ ফেব্ৰুৱাৰীঃ কংগ্ৰেছময় হৈ পৰিব বিজেপি দল। নিৰ্বাচনলৈ যিমানে দিন চমু চাপি আহিছে সিমানে কংগ্ৰেছৰ নেতাৰে ভৰি পৰিছে বিজেপি দল। প্ৰতিখন ৰাজ্যৰ কংগ্ৰেছ নেতাই বিজেপি গমন কৰাৰ পাছতে বিজেপিত কংগ্ৰেছীয়ে বিভিন্ন পদবী লাভ কৰিবলৈ ধৰিছে। শেহতীয়াকৈ মহাৰাষ্ট্ৰৰ অশোক চৱনে বিজেপিত যোগদানৰ পাছতে শেষাংশ ২ পৃষ্ঠাত

# ১৯ বছৰ বয়সতে ডংগল গাৰ্লৰ মৃত্যু

মুম্বাই, ১৭ ফেব্ৰুৱাৰীঃ পৰ্দাত পুনৰ ভুমুকি মৰাৰ সপোন বুকুত বান্ধি মাত্ৰ ১৯ বছৰ বয়সতে জীৱন নাট সামৰিবলগীয়া ৩ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# মধ্যপ্ৰদেশতো কমলৰ প্ৰতি

ৰাজ্যসভাৰ সদস্য কৰা হৈছে৷ বিভিন্ন কংগ্ৰেছী নেতাই বিজেপি দলত এতিয়া বিভিন্ন পদবী, চৰকাৰৰ প্ৰভাৱশালী পদবী লাভ কৰিছে৷ ইয়াৰ মাজতে আন এজন কংগ্ৰেছীক আদৰিবলৈ সাজু হৈছে বিজেপি৷ মধ্য প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা কমল নাথে কংগ্ৰেছত যোগদান কৰিব বুলি খুব চৰ্চা চলিছে৷ বৰ্তমান দিল্লীত বাহৰ পতা কমল নাথে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি বিজেপিত যোগদান কৰিব বুলি এটা সূত্ৰই দাবী কৰিছে৷ বিধানসভাৰ নিৰ্বাচনত পৰাজিত হৈ দীৰ্ঘদিন ধৰি কংগ্ৰেছৰ পৰা এলাগী হৈ অহাত এই সিদ্ধান্ত লোৱা বুলি দাবী কৰা হৈছে৷ আনহাতে, মধ্যপ্ৰদেশৰ পৰা ৰাজ্যসভালৈ আন এজন প্ৰাৰ্থীক প্ৰেৰণ কৰাত কমল নাথক বঞ্চিত কৰাৰ অভিযোগ উঠিছে৷ কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদানৰ আলোচনাৰ মাজতে কমল নাথৰ ঘনিষ্ঠ সূত্ৰই এতিয়ালৈকে দলৰ পৰা পদত্যাগ কৰা নাই বুলি প্ৰকাশ কৰিছে৷ দলীয় কৰ্ম-কাণ্ডত অসন্তুষ্ট চাৰি দশক আগৰ কংগ্ৰেছ দল হৈ থকা বুলি আক্ষেপ কৰিছে৷ তেওঁৰ পুত্ৰ আৰু সাংসদ নকুল নাথে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সৰ পৰা কংগ্ৰেছক বায়' আঁতৰাই দিয়াত কমল নাথ আৰু নকুল নাথে বিজেপিত যোগদান কৰাৰ বিষয়ে জল্পনা-কল্পনা তীব্ৰতৰ হয়। শনিবাৰে দিল্লীত উপস্থিত হোৱা মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰিব৷ মধ্যপ্ৰদেশ বিজেপিৰ সভাপতি ভি.ডি শৰ্মাই কমল নাথে বিজেপিত যোগদান কৰিলে স্বাগতম জনাম বুলি কয়৷ কমল নাথে এতিয়ালৈকে কংগ্ৰেছৰ পৰা দলৰ হাইকমাণ্ডলৈ পদত্যাগ কৰাৰ প্ৰস্তাৱ দিয়া নাই। কংগ্ৰেছে কমল নাথৰ সৈতে যোগাযোগ কৰাৰ চেষ্টা কৰি আহিছে। কমল নাথক সৈমান কৰিবলৈ প্ৰচেষ্টা কৰা হৈছে। জ্যেষ্ঠ কংগ্ৰেছ নেতা কমল নাথে ছিন্দৱাৰা লোকসভা সমষ্টিক ৯বাৰ সাংসদ হৈছে। কমল নাথৰ পুত্ৰ নকুল নাথ বৰ্তমান ছিন্দৱাৰাৰ সাংসদ আৰু পিতৃৰ সৈতে বিজেপিত যোগদান কৰিব বুলি অনুমান কৰা হৈছে। সাংবাদিকৰ আগত কমল নাথে কয় যে আপোনালোক অতি উৎসাহিত হৈ পৰিছে। মই এই কথা এতিয়ালৈ কোৱা নাই, আপোনালোকে এই কথা কৈ আছে। যদি এনে কোনো কথা থাকে, মই প্ৰথমে আপোনালোকক জনাম। আনহাতে, মধ্যপ্ৰদেশ কংগ্ৰেছৰ সভাপতি জিতু পাটোৱাৰীয়ে কমল নাথে কংগ্ৰেছ এৰি যোৱাৰ জল্পনা-কল্পনাক ভিত্তিহীন বুলি অভিহিত কৰিছে। ইন্দিৰা গান্ধীয়ে কমল নাথক তেওঁৰ তৃতীয় পুত্ৰ বুলি কৈছিল। দিগ্বিজয় সিঙে কমল নাথে বিজেপিত যোগদান কৰাৰ সন্দৰ্ভত জল্পনা-কল্পনাৰ বিষয়ে সোধাত কয়, ‘মই যোৱা নিশা ১০.৩০ বজাত কমল নাথৰ সৈতে কথা পাতিছো, তেওঁ ছিন্দৱাৰাত আছে। যিয়ে কংগ্ৰেছৰ সৈতে ৰাজনৈতিক যাত্ৰা আৰম্ভ কৰিছিল আৰু জনতা পাৰ্টিৰ দ্বাৰা ইন্দিৰা গান্ধীক কাৰাগাৰলৈ প্ৰেৰণ কৰাৰ সময়ত নেহৰু-গান্ধী পৰিয়ালৰ সৈতে থিয় দি আছিল৷ আপুনি ভাবেনে যে এনে এজন ব্যক্তিয়ে কেতিয়াবা কংগ্ৰেছ আৰু গান্ধী পৰিয়াল ত্যাগ কৰিব?

প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৯ত বিজেপি মুক্ত হ’ব ভাৰত!

বিজেপিৰ হৰ্চ ট্ৰেডিঙৰ অভিযোগৰ মাজতে বিধানসভাত পুনৰ এবাৰ আস্থা ভোট বিচাৰি কেজৰিৱালে কয় যে আম আদমী পাৰ্টি বিজেপিৰ বাবে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে, সেইবাবেই এই দলৰ নেতা-বিধায়কক চৌদিশৰ পৰা বিজেপিয়ে আক্ৰমণ চলাবলৈ আৰম্ভ কৰিছে। উল্লেখ্য যে, বিজেপিয়ে ক্ষমতা, ধনৰ অপপ্ৰয়োগ কৰি আৰু ভয়-ভাবুকি প্ৰদান কৰি আপৰ বিধায়কক ক্ৰয়ৰ চেষ্টা চলাই অহাৰ বাৰাম্বাৰ অভিযোগ উত্থাপন কৰি আহিছে মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। এনে পৰিপ্ৰেক্ষিততে পুনৰ এবাৰ বিধানসভাত তেওঁ আস্থা ভোট বিচাৰে। দিল্লীৰ ৭০ জনীয়া বিধানসভাত আম আদমী পাৰ্টিৰ ওচৰত ৬২ জন বিধায়ক থকাৰ বিপৰীতে বিজেপিৰ ওচৰত আছে মাত্ৰ ৮ জন বিধায়ক। মুখ্যমন্ত্ৰীয়ে কয় যে সদনত আমাৰ সংখ্যাগৰিষ্ঠতা আছে, কিন্তু এই আস্থা প্ৰস্তাৱৰ প্ৰয়োজন আছিল, কাৰণ বিজেপিয়ে আপৰ বিধায়কক ভাঙি পেলাবলৈ চেষ্টা কৰি আহিছে৷ শুকুৰবাৰে বিধানসভাত আস্থা প্ৰস্তাৱ দাখিল কৰাৰ সময়ত মুখ্যমন্ত্ৰী কেজৰিৱালে কয় যে আপৰ দুজন বিধায়কে তেওঁক বিজেপিৰ সদস্যই যোগাযোগ কৰা বুলি জনাই দিল্লীৰ মুখ্যমন্ত্ৰীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰা হ’ব বুলি দাবী কৰিছিল। অৰবিন্দ কেজৰিৱালে কয়, "বিধায়কসকলক কোৱা হৈছিল যে ২১ জন আপৰ বিধায়কে দল ত্যাগ কৰিবলৈ সন্মত হৈছে আৰু আনসকলো বিজেপিৰ সৈতে যোগাযোগত আছে। তেওঁলোকে বিধায়কসকলক বিজেপিত যোগদান কৰিবলৈ ২৫ কোটি টকাৰ প্ৰস্তাৱ দিছিল। আমি যেতিয়া আন বিধায়কৰ সৈতে কথা পাতিলোঁ, আমি দেখিলোঁ যে তেওঁলোকে ২১ জন নহয়, সাতজনৰ সৈতে যোগাযোগ কৰিছে। তেওঁলোকে দিল্লীত আন এটা অপাৰেচন লোটাছ চলাবলৈ চেষ্টা কৰি আছিল।’’ কেজৰিৱালে লগতে কয়, "মই ক’ব বিচাৰো যে আমাৰ কোনো বিধায়কে দল সলনি কৰা নাই আৰু সকলোৱে আমাৰ লগত দৃঢ়তাৰে আছে।’’ ভাষণত তেওঁ আৰু কয় যে যদিহে ২০২৪ চনত বিজেপি চৰকাৰৰ পতন নঘটে তেন্তে ২০২৯ চনত আম আদমী পাৰ্টীয়ে নিশ্চিতভাৱে ভাৰতক বিজেপি মুক্ত কৰিবলৈ সমৰ্থ হ’ব। উল্লেখ্য যে, বিধানসভাৰ আস্থা ভোটৰ পূৰ্বে অৰবিন্দ কেজৰিৱালে সুৰা নীতিৰ গোচৰত ইডিয়ে জাৰি কৰা পাঁচখন চমনক আওকাণ কৰাৰ বাবে আজি পুৱা ভিডিঅ’ কনফাৰেন্সিঙৰ জৰিয়তে দিল্লীৰ আদালতত হাজিৰ হৈছিল। পৰৱৰ্তী সময়ত ১৬ মাৰ্চত এই গোচৰৰ শুনানি গ্ৰহণ কৰিব আদালতে। সেই সময়ত কেজৰিৱালে শাৰীৰিকভাৱে আদালতত হাজিৰ হ’ব লাগিব।


প্ৰথম পৃষ্ঠাৰ পৰা...

# ফটকা কাৰখানাত

লোক আহত হয়। ৰাজ্যখনৰ বিৰুধুনগৰ জিলাৰ বেম্বাকোটাই অঞ্চলত থকা ফেক্টৰীটোত সংঘটিত হোৱা বিস্ফোৰণৰ পিছতে ঘটনাস্থলীত ততাতৈয়াকৈ আৰক্ষী আৰু অগ্নি নিৰ্বাপক বাহিনীৰ দল উপস্থিত হৈ আহত সকলক উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰে। এই ভয়ংকৰ ঘটনাত নিহতৰ সংখ্যা অধিক বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, প্ৰথমে বিজয় নামৰ এগৰাকী স্থানীয় ব্যৱসায়ীৰ ফেক্টৰীটোত ফটকা নিৰ্মাণৰ বাবে মজুত কৰি ৰখা ৰসায়নিক পদাৰ্থত বিস্ফোৰণ ঘটে আৰু তাৰ পিছতে সম্পূৰ্ণ ফেক্টৰীটো ভয়ংকৰ অগ্নিকাণ্ডত জাহ যায়। এই বিস্ফোৰণ আৰু অগ্নিকাণ্ডৰ ফলত ফেক্টৰীটোৰ কাষৰ আন চাৰিটা ঘৰৰো বিস্তৰ ক্ষতিসাধন হয়। ঘটনাৰ পিছতে ওচৰৰ জিলাৰ পৰা কেইবাখনো অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ জুই নিৰ্বাপন কৰে। এই দুৰ্ঘটনাত ৭ জন লোকৰ থিতাতে মৃত্যু ঘটাৰ বিপৰীতে আন দুজনৰ হাস্পতাললৈ নিয়াৰ পথত মৃত্যু ঘটে। নিহত সকলৰ মাজত ৩ গৰাকী মহিলাও আছে বুলি জানিবলৈ দিয়ে আৰক্ষীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৯ বছৰ বয়সতে ডংগল গাৰ্লৰ মৃত্যু



হ'ল প্ৰতিভাসম্পন্ন অভিনেত্ৰী সুহানী ভাটনাগৰে। আমিৰ খানৰ ব্লকবাষ্টাৰ ছবি 'ডংগল'ত এথলিট ববিতা ফোগাটৰ শৈশৱৰ চৰিত্ৰত অভিনয় কৰি অভুতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰা সুহানীৰ ঔষধৰ পাৰ্শ্বক্ৰিয়াৰ ফলত মৃত্যু ঘটাৰ খবৰে শোকৰ ছাঁ পেলাইছে বলিউডত। উল্লেখ্য যে, ফৰিদাবাদৰ ১৭ নং ছেক্টৰৰ নিৱাসী সুহানী কিছুদিন পূৰ্বে এক ভয়ংকৰ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হৈ দিল্লীৰ এইমছত চিকিৎসাধীন হৈ আছিল। দুৰ্ঘটনাৰ চিকিৎসাৰ বাবেই অভিনেত্ৰীগৰাকীক প্ৰদান কৰা ঔষধৰ পাৰ্শ্বক্ৰিয়াৰ ফলত তেওঁৰ মৃত্যু ঘটা বুলি জানিব পৰা গৈছে। আমিৰ খানৰ ডংগল ছবিত কৰা জুনিয়ৰ ববিতা চৰিত্ৰৰ জৰিয়তে দৰ্শৰ মৰম আৰু প্ৰশংসা লাভ কৰিবলৈ সক্ষম হোৱা সুহানীয়ে শিক্ষা সাং কৰি পুনৰ অভিনয় জগতলৈ ঘূৰি অহাৰ সপোন দেখিছিল। কিন্তু সেই সপোন যেন আধাতে থমকি ৰ'ল সুহানীৰ। প্ৰতিভাসম্পন্ন অভিনেত্ৰীগৰাকীৰ ইমান কম বয়সতে অকাল মৃত্যুৱে শোকৰ ছাঁ পেলাইছে সমগ্ৰ বলিউডত।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিপিএফৰ পৰা খেলিব পৃথ্বীৰাজে!

লোকসভা নিৰ্বাচনত অকলে এঘৰী যুঁজিবলৈ সাজু হৈছে বিপিএফ। আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে হাগ্ৰামা মহিলাৰী আৰু আন আন নেতাই বিভিন্ন ঠাইত সভা-সমিতি অনুষ্ঠিত কৰি দলৰ ভেটি শক্তিশালী কৰিবলৈ উঠি-পৰি লাগিছে। জয়ী হোৱাৰ লক্ষ্যৰে নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ তৎপৰ হৈছে বিপিএফ দল। আজি দলটোৱে দুটা সমষ্টিৰ বাবে দলীয় সম্ভাব্য প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। কোকৰাঝাৰ আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বাবে বিপিএফৰ সম্ভাব্য প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। কোকৰাঝাৰ সমষ্টিৰ বাবে বিপিএফৰ প্ৰাৰ্থী তালিকাত তিনি প্ৰাৰ্থীৰ নাম উল্লেখ থকা দেখা গৈছে। প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, বিটিচিৰ প্ৰাক্তন উপ-মুখ্য কাৰ্যবাহী খাম্পা বৰগয়াৰী আৰু এনডিএফবি চৰকাৰৰ মধ্যস্থতাকাৰী পৃথ্বীৰাজ নাৰায়ন দেৱ মেচৰ নাম প্ৰাৰ্থী তালিকাত আছে। তালিকাত একালৰ প্ৰমোদ বড়োৰ ঘনিষ্ঠ পৃথ্বীৰাজ নাৰায়ন দেৱ মেচৰ নাম থকাত বিটিচিৰ ৰাজনীতিত ব্যাপক চৰ্চা আৰম্ভ হৈছে। প্ৰায় এবছৰ পূৰ্বে দলীয় সংঘাতৰ বাবে ইউপিপিএল দলৰ পৰা আতৰি আহিছিল পৃথ্বীৰাজ নাৰায়ন দেৱ মেচ। কিন্তু বিটিচিৰ ৰাজনীতিত বিপিএফ শক্তিশালী ৰূপত আবিৰ্ভাৱ হোৱাত পৃথ্বীৰাজ নাৰায়ন দেৱ মেচে বিপিএফৰ পৰা টিকট বিচাৰি আবেদন কৰে। ১৪ ফেব্ৰুৱাৰীত হাগ্ৰামা মহিলাৰীক সাক্ষাৎ কৰি টিকট দাবী কৰি আৰ্জি দিয়াৰ পাছতে পৃথ্বীৰাজ নাৰায়ন দেৱ মেচৰ নাম সম্ভাব্য প্ৰাৰ্থীৰ তালিকাত সন্নিৱিষ্ট হয়। যদিও কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী খাম্পা বৰগয়াৰী হ'ব পাৰে বুলি চৰ্চা চলিছে। আনহাতে, দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বাবে দুৰ্গা দাস বড়ো, ৰবীন্সন মুছাহাৰী, ৰিহন দৈমাৰী, ইমানুৱেল মুছাহাৰী, ধীৰেন বড়োৰ নাম তালিকাভুক্ত কৰা হৈছে। আজি ওদালগুৰি জিলাৰ কলাইগাঁৱত বিপিএফৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ লগতে অকলে নিৰ্বাচন খেলা আৰু চূড়ান্ত প্ৰাৰ্থীৰ নাম পৰৱৰ্তী পৰ্যায়ত ঘোষণা কৰাৰ সিদ্ধান্ত লয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ জেলৰ পৰা চলিছে

কৰি লৈছিল সিঙে। এই কথা শেহতীয়াকৈ পোহৰলৈ অহাৰ পাছত সমগ্ৰ দেশত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা অমৃত পাল সিঙে মোবাইল, হেডফোন, স্পীকাৰ, স্মাৰ্ট ৱাটছ, পেন কেমেৰা, পেন ড্ৰাইভ, ছিমকাৰ্ড, টিভিৰ ৰিমোৰ্ট আদি ব্যৱহাৰ কৰি আছিল। এনে সামগ্ৰীসমূহ অসম আৰক্ষীয়ে বিশেষ অভিযানযোগে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। এক্সত এটা পোষ্ট দি এই কথা প্ৰকাশ কৰিছে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে। আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিঙে ডিব্ৰুগড় কাৰাগাৰৰ বহিঃভাগত চিচিটিভি লগোৱাৰ নিৰ্দেশ দিয়াৰ লগতে যাৱতীয় তদন্ত অব্যাহত থকা বুলি কয়। ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনৰ বিশেষ চেলত থকাৰ পাছতো এনে সামগ্ৰী ব্যৱহাৰ কৰি আছিল অমৃত পাল সিঙে। কাৰাগাৰত বৃহৎ ব্যৱসায় চলোৱা অভিযোগ উঠিছে। কাৰাগাৰত চিম কাৰ্ড, ফোন আদি যোগান ধৰিলে কোনে? এনে সামগ্ৰীসমূহ সিঙে লাভ কৰিলে কেনেকৈ? ইয়াকে লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। কাৰাগাৰত এনে সামগ্ৰীসমূহ কোনো যোগান ধৰিলে তাকে লৈ ৰহস্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে, ২০২৩ চনৰ ২৩ এপ্ৰিলত পঞ্জাৱত গ্ৰেপ্তাৰ কৰাৰ পাছত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ নিক্ষেপ কৰিছিল অমৃত পাল সিঙৰ লগতে ১০ সহযোগীক। ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত কাৰাৰুদ্ধ হৈ আছে অমৃতপাল সিং। তাৰমাজতে আজিৰ ঘটনাই সকলোকে উদ্বিগ্ন কৰি তুলিছে।

# কোকৰাঝাৰত বনাঞ্চলত প্ৰেমিক-প্ৰেমিকাৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, কোকৰাঝাৰ, ১৭ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ সদৰ চহৰৰ নাতিদূৰৈৰ চৰাইখোলাৰ নিলগৰ গাৰোটিলা অঞ্চলৰ বনাঞ্চলত এহাল কিশোৰ-কিশোৰীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই জিলাখনত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। কোকৰাঝাৰ চহৰৰ বাগানশালিত কালি চিপজৰী লৈ থকা অৱস্থাত এগৰাকী ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওঁতে আজি পুণৰাই কোকৰাঝাৰত এহাল কিশোৰ কিশোৰীৰ মৃতদেহ উদ্ধাৰ হোৱাত স্বাভাৱিকতে চাঞ্চল্যৰ সৃষ্টি হৈছে। মৃতদেহ দুটা খুছি শৰ্মা আৰু ৰাহুল ৰায় বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে কোকৰাঝাৰৰ চৰাইখোলাৰ নিলগৰ গাৰোটিলা অঞ্চলৰ বনাঞ্চলৰ পৰা আজি ডিঙিত এডাল কেবেল তাঁৰ মেৰিয়াই থকা অৱস্থাৰ পৰা এহাল প্ৰেমিক-প্ৰেমিকাৰ মৃতদেহ উদ্ধাৰ কৰা হয়। সন্দেহ কৰা মতে প্ৰেমিক-প্ৰেমিকাহালে প্ৰথমে হোমযজ্ঞ কৰি আৰু মালা ৰদবদল কৰি বিবাহপাশত আৱদ্ধ হয়। তাৰ পিছতে দুয়োজনে এডাল কেবল তাঁৰেৰে ডিঙিত চিপ লগাই আত্মহত্যা কৰে যদিও পিছত গছৰ ডালটো ভাঙি পৰে। উল্লেখ্য যে খুছি শৰ্মা আৰু ৰাহুল ৰায় নামৰ কিশোৰ-কিশোৰীহাল যোৱা ১৪ ফেব্ৰুৱাৰী অৰ্থাৎ সৰস্বতী পূজাৰ দিনাখনৰ পৰাই নিৰুদ্দেশ হৈ আছিল। দুয়োজনৰে পৰিয়ালৰ লোকে বহু বিচাৰ খোচাৰ কৰিছিল যদিও দুয়োৰে কোনো সন্ধান লাভ কৰা নাছিল। ইয়াৰে মাজতে আজি চৰাইখোলাৰ পৰা দুই কিলোমিটাৰ নিলগৰ গাৰোটিলা বনাঞ্চলৰ পৰা খুছি আৰু ৰাহুলৰ মৃতদেহ উদ্ধাৰ হয়। ইপিনে আৰক্ষীৰ প্ৰাথমিক পৰ্যায়ৰ তদন্তত প্ৰেমজনিত কাৰনতে দুয়োজনে আত্মহত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। অৱশ্যে এয়া আত্মহত্যা নে হত্যা সেয়া আৰক্ষীৰ সম্পূৰ্ণ তদন্তৰ পিছতহে ওলাই পৰিব। মৃতদেহ উদ্ধাৰ হোৱা স্থানৰ পৰা আৰক্ষীয়ে তিনিটা মোবাইল ফোন উদ্ধাৰ কৰিছে। ইতিমধ্যে আৰক্ষীয়ে ঘটনাটোৰ জোৰ তদন্ত আৰম্ভ কৰিছে আৰু মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। প্ৰণিধানযোগ্য যে খুছি শৰ্মা কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ একাদশ শ্ৰেণীৰ ছাত্ৰী আছিল। খুছি আৰু ৰাহুল দুয়ো চৰাইখোলা হাইস্কুলত একেলগে পঢ়িছিল আৰু যোৱা বৰ্ষত দুয়োজনেই হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও খুছি উত্তীৰ্ণ হোৱাৰ বিপৰীতে ৰাহুল ৰায় অনুত্তীৰ্ণ হৈছিল। ৰাহুল ৰায় পুনৰ যোৱা ১৬ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিছিল যদিও নিৰুদ্দেশ হৈ থকাৰ বাবে অৱতীৰ্ণ হব নোৱাৰিলে। আজি দুয়োজনৰ মৃতদেহ উদ্ধাৰ হোৱাত দুয়োটা পৰিয়ালৰে মাজত হাহাকাৰ লাগিছে আৰু কান্দোনত ভাগি পৰিছে।

## মুখ্যমন্ত্ৰী এন. বিৰেণ সিঙৰ বিস্ফোৰণ, তদন্ত ঘোষণা

# মণিপুৰৰ চূড়াচান্দপুৰৰ আক্ৰমণ আছিল পূৰ্বপৰিকল্পিত

**ইম্ফল, ১৭ ফেব্ৰুৱাৰীঃ** চূড়াচান্দপুৰৰ আক্ৰমণ আছিল পূৰ্বপৰিকল্পিত। গোচৰৰ তথ্য-পাতি নষ্ট কৰিবলৈ কৰা হৈছিল এই আক্ৰমণ। আজি এই দাবী কৰিছে মণিপুৰৰ মুখ্যমন্ত্ৰী এন. বিৰেণ সিঙে। মুখ্যমন্ত্ৰী এন বীৰেন সিঙে ঘটনাৰ দণ্ডাধীশ তদন্ত কৰাৰ ঘোষণা কৰিছে। আজি এন. বিৰেণ সিঙে সংবাদ মাধ্যমত সম্বোধন কৰি চূড়াচান্দপুৰৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয় আৰু উপায়ুক্তৰ কাৰ্যালয়ত সংঘটিত দলবদ্ধ আক্ৰমণৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি চূড়াচান্দপুৰত সংঘটিত অগ্নিসংযোগ, মণিপুৰ আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয় আৰু পঞ্চম আইআৰবিৰ অস্ত্ৰ-শস্ত্ৰ কাঢ়ি নিয়াৰ ঘটনাক দুৰ্ভাগ্যজনক আৰু কঠোৰ ভাষাৰে গৰিহণা দিয়ে মুখ্যমন্ত্ৰী সিঙে। চিংগৰেলত সশস্ত্ৰ লুণ্ঠনৰ ঘটনা সন্দৰ্ভত সন্দেহ থকাত সাতজন আৰক্ষী কৰ্মীক তৎক্ষণাৎ নিলম্বিত কৰা হৈছে। একেদৰে, চূড়াচান্দপুৰ জিলাৰ এছপিয়েও উগ্ৰপন্থীৰ সৈতে জড়িত হোৱাৰ কিছু ফটো আৰু ভিডিঅ' প্ৰত্যক্ষ কৰি আৰক্ষী কনিষ্টবলক নিলম্বন কৰিছে। বীৰেণ সিঙে কয় যে দণ্ডাধীশ তদন্তৰ উপৰিও ছ'চিয়েল মিডিয়াৰ জৰিয়তে নিৰীহ লোকসকলক উচটনি দিয়া এজন ব্যক্তিৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হ'ব। নিশা প্ৰায় ৮.২৭ বজাত ব্যক্তিগত একাউণ্টৰ পৰা পোষ্ট শ্বেয়াৰ কৰা হৈছিল। পোষ্টৰ পাছত নিশা প্ৰায় ১০ বজাত অগ্নিসংযোগ কৰা হৈছিল। এই আক্ৰমণৰ আঁৰত বিভিন্ন কূটাঘাটত জড়িত লোক জড়িত থকাৰ সন্দেহ কৰা হৈছে। তেনে লোকে গোচৰৰ তথ্য-পাতি নষ্ট কৰিবলৈ এই আক্ৰমণ কৰা বুলি সন্দেহ কৰিছে মুখ্যমন্ত্ৰীয়ে। উল্লেখ্য যে, চূড়াচান্দপুৰত আৰক্ষী অধীক্ষকৰ কাৰ্যালয় আৰু উপায়ুক্তৰ কাৰ্যালয়ত কেইবা শ লোকে আক্ৰমণ কৰিছিল। এই আক্ৰমণত তিনিজন লোক নিহত হোৱাৰ লগতে ৩০ জন লোক আঘাতপ্ৰাপ্ত হৈছিল। সশস্ত্ৰ উগ্ৰপন্থীৰ সৈতে লগলাগি কেইবা শতাধিক লোকে আৰক্ষী অধীক্ষকৰ কাৰ্যালয় আৰু উপায়ুক্তৰ কাৰ্যালয়ত আক্ৰমণ কৰাৰ সময়তে আৰক্ষীয়ে গুলীচালনা কৰাত তিনিজন লোকৰ মৃত্যু হয়। ঘটনাই সমগ্ৰ মণিপুৰত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। তিনিজন লোকৰ মৃত্যু হোৱাত ক্ষোভিত বিভিন্ন দল-সংগঠনে আৰক্ষীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ দাবী উত্থাপন কৰে।

এজন আৰক্ষী হেড কনিষ্টবলক নিলম্বন কৰাত হিংসাত্মক ঘটনাৰ সূত্ৰপাত হয়। কনিষ্টবলৰ নিলম্বনৰ পাছতে অস্থিৰতাই বিৰাজ কৰিছিল চূড়াচান্দপুৰত। তাৰ পাছতে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত দুৰ্বৃত্তই আক্ৰমণ কৰি অগ্নিসংযোগ কৰে। কাৰ্যালয়ৰ পৰা জাতীয় পতাকাও আতৰাই পেলোৱা হয়। ইপিনে মণিপুৰৰ ইম্ফল পূব জিলাৰ বিশেষ বাহিনীৰ শিবিৰৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ লুটি নিয়া ঘটনা সন্দৰ্ভত ইণ্ডিয়া ৰিজাৰ্ভ বেটেলিয়নৰ ৭ জোৱানক নিলম্বন কৰা হৈছে। শিবিৰৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু গোলাবাৰুদ লুটি নিয়াৰ সময়ত ৭ জোৱানে কৰ্তব্যত গুৰুতৰ অৱহেলাৰ কাৰণে ৭ জোৱানক নিলম্বন কৰা হৈছে। মণিপুৰ আৰক্ষীয়ে কয় যে অস্ত্ৰ লুণ্ঠনৰ গোচৰত ৬ লোকক গ্ৰেপ্তাৰ কৰিছে। আইআৰবি শিবিৰৰ পৰা লুটি নিয়া চাৰিটা ৰাইফল, এটা একে-ফৰটিচেভেন, দুটা এছএলআৰ আৰু গোলাবাৰুদ উদ্ধাৰ কৰা হৈছে। জানিব পৰা মতে, ১৩ ফেব্ৰুৱাৰীত চিংগৰেলৰ পঞ্চম আইআৰবিৰ শিবিৰত আক্ৰমণ কৰি উত্তেজিত জনতাই অস্ত্ৰ-শস্ত্ৰ আৰু গোলা বাৰুদ লৈ পলায়ন কৰিছিল।

# সাহস আছে যদি কংগ্ৰেছে মোক নিলম্বন কৰকঃ কমলাক্ষ দে' পুৰকায়স্থ

**ই-সংবাদ, ১৭ ফেব্ৰুৱাৰীঃ** বিজেপি চৰকাৰক সমৰ্থন কৰাৰ ঘোষণা কৰি কংগ্ৰেছৰ ৰোষত পৰা বিধায়ক কমলাক্ষ দে' পুৰকায়স্থই দলৰ পৰা নিলম্বন কৰিবলৈ মুকলিকৈ প্ৰত্যাহ্বান জনাইছে। কৰিমগঞ্জ উত্তৰ সমষ্টিৰ কংগ্ৰেছ বিধায়ক কমলাক্ষ পুৰকায়স্থই বিজেপি চৰকাৰক সমৰ্থন কৰাৰ ঘোষণা কৰাৰ পাছতে এই প্ৰত্যাহ্বান জনাইছে কংগ্ৰেছ দলক। বিধায়ক পুৰকায়স্থই পুনৰ মুখ খুলি কয় যে মই দুখন নাৱত দুই ভৰি দিয়া নাই। মোক নিলম্বন কৰিলে মই আপত্তি নকৰো। কংগ্ৰেছৰ কোনোবাই শাসকীয় দলৰ নেতাক শুভেচ্ছা বা আদৰণি জনালে নিলম্বিত কৰা হ'ব। হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰাৰ সময়ত কংগ্ৰেছ দলে অসমৰ সকলো সম্প্ৰদায়ক অপমান কৰে। হিমন্ত বিশ্ব শৰ্মা এজন ব্যক্তিৰ মুখ্যমন্ত্ৰী নহয়, তিনি কোটিৰো অধিক লোকৰ মুখ্যমন্ত্ৰী। পুৰকায়স্থই কয় যে হিমন্ত বিশ্ব শৰ্মা ভাৰতৰ তৃতীয় জনপ্ৰিয় মুখ্যমন্ত্ৰী।

# বতৰৰ পূৰ্বাভাস ল'ব পৰা উপগ্ৰহৰ সফল উৎক্ষেপন ইছৰ'ৰ

**হৰিকোটা, ১৭ফেব্ৰুৱাৰীঃ** ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই আজি বিয়লি ৫.৩৫ বজাত বতৰ বিজ্ঞানৰ উপগ্ৰহ INSAT-3DS সফলতাৰে উৎক্ষেপণ কৰিবলৈ সক্ষম হয়। আধুনিক প্ৰযুক্তিৰে সজ্জিত এই উপগ্ৰহটোৱে বতৰৰ পূৰ্বাভাস আৰু প্ৰাকৃতিক দুৰ্যোগৰ সতৰ্কবাণী অধ্যয়ন কৰিব। উল্লেখ্য যে, চলিত বৰ্ষত এয়া হৈছে ইছৰ'ৰ দ্বিতীয়টো অভিযান। শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা GSLV-F14 ৰকেটেৰে এই উপগ্ৰহটো উৎক্ষেপণ কৰে ইছৰ'ৱে। এই উপগ্ৰহৰ উদ্দেশ্য হৈছে পৃথিৱীৰ পৃষ্ঠ আৰু সাগৰীয় পৰ্যবেক্ষণৰ অধ্যয়নক প্ৰসাৰিত কৰা। ইছৰ'ৱে জনোৱা মতে, ২২৭৪ কিলোগ্ৰাম ওজনৰ এই উপগ্ৰহটোৱে ভাৰতীয় বতৰ বিজ্ঞান বিভাগকে ধৰি পৃথিৱী বিজ্ঞান মন্ত্ৰালয়ৰ অধীনৰ বিভিন্ন বিভাগক সেৱা আগবঢ়াব। ১ জানুৱাৰীত PSLV-C58/EXPOSAT অভিযান সফলভাৱে আৰম্ভ কৰাৰ পিছত ২০২৪ চনত ইছৰ'ৰ বাবে এইটো দ্বিতীয়টো অভিযান। ইছৰ'ৰ অধ্যক্ষ এছ সোমনাথে কয়, "মিছন GSLV-F14 INSAT-3DSৰ সফল উৎক্ষেপণৰ কথা ঘোষণা কৰি মই অতি আনন্দিত হৈছো। মহাকাশযানখনক অতি ভাল কক্ষপথত স্থাপন কৰা হৈছে। আমি এইটোও লক্ষ্য কৰিছো যে মহাকাশযানখনে অতি ভাল প্ৰদৰ্শন কৰিছে। এই সফল উৎক্ষেপনৰ বাবে সকলোৰে অভিনন্দন জনাইছো।''

# কামৰূপৰ দামপুৰত কৃষিভূমিত চলিছে অবৈধ খনন



**ই-সংবাদ, শুৱালকুছি, ১৭ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত দামপুৰত কৃষিভূমিত ব্যাপক অবৈধ খনন চলি থকাৰ অভিযোগ উত্থাপন হৈছে৷ পথাৰৰ পৰা জনবহুল এলেকাৰ মাজেৰে ডাম্পাৰেৰে ইটা ভাটালৈ মাটি কঢ়িয়াই থকাৰ অভিযোগ উঠিছে৷ কৃষিভূমিত বুলডজাৰ লগাই অসাধু চক্ৰই অবৈধ খনন কৰাত আতংকিত হৈছে সাধাৰণ নাগৰিক৷ দিনে-নিশাই অবৈধ খনন কৰাত খেতি পথাৰ নষ্ট হোৱাৰ লগতে ডাম্পাৰসমূহে ত্ৰাসৰ সৃষ্টি কৰিছে৷ দামপুৰচকমা, ভেলামাৰী, টোক্ৰাদিয়া আদি অঞ্চলত কেইবাটাও ইটা ভাটাত ইটা নিৰ্মাণত প্ৰয়োজন হোৱা মাটি অসাধু চক্ৰই কৃষিভূমিৰ পৰা সংগ্ৰহ কৰিছে৷ খেতি পথাৰ দকৈ খনন কৰি নষ্ট কৰাৰ লগতে কৃষি ভূমিসমূহ কৃষিকৰ্মৰ অনুপযোগী কৰি তুলিছে৷ অসাধু চক্ৰটোৱে ইটা উদ্যোগৰ স্বত্বাধিকাৰৰ সৈতে লগ হৈ কৃষি পথাৰৰ দাতিকাষৰীয়া সেউজ পাহাৰতো বুলডজাৰ-ডাম্পাৰৰ সহায়ত অবৈধ খনন কৰি ৰঙামাটিও অবৈধ ভাৱে সৰবৰাহ কৰি আহিছে৷ স্থানীয় দল-সংগঠনে কামৰূপ জিলা প্ৰশাসন, হাজো ৰাজহ চক্ৰ বিষয়া, স্থানীয় আৰক্ষী প্ৰশাসন, বন বিভাগক অভিযোগ দি আহিছে। হাজো ৰাজহ চক্ৰৰ বিষয়াক স্থানীয় পূৱ বংশৰ আছুই স্মাৰকপত্ৰ প্ৰদান কৰিছিল যদিও কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰিলে৷ একাংশ দুৰ্নীতিগ্ৰস্ত কৰ্মচাৰীক মেনেজ কৰি খনন কাৰ্য চলাই আহিছে অসাধু চক্ৰটোৱে৷ চৰকাৰী চাকৰিয়ালো অবৈধ খননত জড়িত থকাৰ অভিযোগ আনিছে দল-সংগঠনে৷ ছাত্ৰ-ছাত্ৰীসকলে ভয়ে ভয়ে বিদ্যালয়লৈ বিদ্যালয়লৈ আহ-যাহ কৰিবলগীয়া হৈছে৷ কামৰূপ জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহে চকু মুদা কুলিৰ ভাও ধৰিছে৷

# মুখ্যমন্ত্ৰীক গামোচা পিন্ধোৱা কংগ্ৰেছ নেতা দাদু টায়েক বহিস্কাৰ

**ই-সংবাদ, ১৭ ফেব্ৰুৱাৰীঃ** কংগ্ৰেছে একেবাৰে বিদায় দিলে দাদু টায়েক। আজি প্ৰদেশ কংগ্ৰেছে এক বিবৃিতি যোগে দাদু টায়েক দলৰ পৰা বহিস্কাৰ কৰা বুলি উল্লেখ কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ নিৰ্দেশত দাদু টায়েক কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক গামোচা পিন্ধাই গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতি পদৰ পৰা অপসাৰিত হোৱাৰ পাছতে প্ৰদেশ কংগ্ৰেছে তেওঁক বহিস্কাৰ কৰে। উল্লেখ্য যে, দুদিন পূৰ্বে সৰুপথাৰত গোপনে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি ৰাজ্যিক কংগ্ৰেছৰ ৰোষত পৰে দাদু টায়ে। এই সাক্ষাতকাৰ গোপন আছিল যদিও এগৰাকী বিধায়কৰ ঘনিষ্ঠই মন্ত্ৰীক গামোচা পিন্ধোৱা ফটোসমূহ কংগ্ৰেছ দলৰ লোকক দিছিল। সেই ফটো সংবাদমাধ্যমত ভাইৰেল হয়। ভাইৰেল হোৱাৰ পাছতে পত্নীৰ চাকৰি সংক্ৰান্তীয় কামত সাক্ষাৎ কৰিব যোৱা বুলি দলৰ শীৰ্ষক নেতৃত্বক জনাইছিল যদিও দলে সেই কথা মানি নলৈ পদৰ পৰা অপসাৰণ কৰিছিল টায়েক। কিন্তু আজি দলৰ পৰা দাদু টায়েক আনুষ্ঠানিকভাবে বহিস্কাৰ কৰে দলে।

# ওদালগুৰিত দুগ্ধ উন্নয়ন, পশুধন চিকিৎসা বিভাগৰ অভিযান



**ই-সংবাদ, ওদালগুৰি, ১৭ ফেব্ৰুৱাৰীঃ** ভাৰত চৰকাৰৰ দুগ্ধ উন্নয়ন আৰু পশুধন চিকিৎসা বিভাগৰ পশুধন জাগৃতি অভিযানৰ অংশ স্বৰূপে গুৱাহাটী পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ উদ্যোগত শুক্ৰবাৰে ওদালগুৰিৰ জৰাবাৰীত জন জাগৰণ আৰু প্ৰজনন শিৱিৰৰ অনুষ্ঠিত কৰা হয়। অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগ তথা ওদালগুৰিস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত আয়োজিত এই শিৱিৰত উপস্থিত থাকি বিটিচিৰ পাৰিষদ সঞ্জয় স্বৰ্গীয়াৰীয়ে চৰকাৰে পশুপালকক স্বাৱলম্বী কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন আচনি সমূহৰ বিষয়ে উল্লেখ কৰে। এই শিৱিৰত উপস্থিত থাকি গুৱাহাটী পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° আৰফান আলি আৰু ওদালগুৰি জিলাৰ পশুপালন বিষয়া ডাঃ নগেন চন্দ্ৰ কলিতাই প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষকৰ আয় দুগুন কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। এই শিৱিৰত গোধনৰ প্ৰজননৰ বাবে ভেক্সিন প্ৰদান কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ ,ভিটামিন আদিও বিতৰণ কৰা হয়। আজিৰ এই অনুষ্ঠানত ওদালগুৰি কৃষি বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুখ্য বিজ্ঞানী ড° পল্লৱী ডেকা, বিষয়বস্তু বিশেষজ্ঞ ডাঃ প্ৰদীপ ৰাজবংশী, পাম তত্বাবধায়ক ৰমেন কলিতা প্ৰমুখ্যে বহু কেইগৰাকী পশু চিকিৎসক, বিশেষজ্ঞ উপস্থিত থাকে।

শেষ পৃষ্ঠা

# ৰাজকোটত ভাৰতৰ স্থিতি মজবুত

**ৰাজকোট, ১৭ ফেব্ৰুৱাৰীঃ** ৰাজকোটৰ তৃতীয় টেষ্টৰ তৃতীয় দিনা ভাৰতে নিজৰ স্থিতি মজবুত কৰিবলৈ সক্ষম হৈছে। প্ৰথম ইনিংছ ১২৬ ৰানৰ অগ্ৰগতি লাভ কৰা ভাৰতীয় দলে দ্বিতীয় ইনিংছ আৰম্ভ কৰি দুই উইকেট হেৰুৱাই ১৯৬ ৰান কৰে। হাতত এতিয়াও আঠটা উইকেট থকা অৱস্থাত ভাৰতে সামগ্ৰিকভাৱে ৩২২ ৰানৰ অগ্ৰগতি লাভ কৰিছে। টিম ইণ্ডিয়াৰহৈ অপেনৰ যশস্বী জয়চোৱালে ১০৪ ৰান কৰি ৰিটায়াৰ হাৰ্ট হয়। ব্যৰ্থ হয় ৰজত পাতিদাৰ। দিনান্তত শুভমন গিলে ৬৫ আৰু কুলদীপ যাদৱে তিনি ৰান কৰি ক্ৰিজত আছে। ইয়াৰ পূৰ্বে ভাৰতৰ প্ৰথম ইনিংছৰ ৪৪৫ ৰানৰ উত্তৰত কালিৰ দুই উইকেটত ২০৭ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি ৭১.১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ইংলেণ্ডে সংগ্ৰহ কৰে ৩১৯ ৰান। ভ্ৰমণকাৰীক দলটোৰহৈ বেন ডুকেটে সৰ্বোচ্চ ১৫৩ ৰান কৰে। অধিনায়ক বেন ষ্ট'কছৰ বেটৰ পৰা আহে ৪১ ৰান। ভাৰতৰ হৈ মহম্মদ ছিৰাজে চাৰিটা আৰু ৰবীন্দ্ৰ জাদেজা আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট দখল কৰে।

# ভাৰত ফাইনেলত




**জাকাৰ্টা, ১৭ ফেব্ৰুৱাৰীঃ** জাপানক ৩-২ গেমত পৰাজিত কৰি এছিয়ান বেডমিণ্টন টিম চেম্পিয়নশ্বিপৰ ফাইনেলত পোন প্ৰথমবাৰৰ বাবে প্ৰৱেশ কৰিছে ভাৰতীয় মহিলা দল। ইফালে ভাৰতৰ পুৰুষ দলটোৱে কোৱাৰ্টাৰ ফাইনেলৰ পৰা বিদায় মাগিছে। কোৱাৰ্টাৰত দলটো জাপানৰ হাতত ৩-২ গেমত পৰাস্ত হয়।



চীনৰ হোবেই প্ৰদেশৰ জিয়াংগ এলেকাত পৰম্পৰাগত সাজত দুই চীনা সুন্দৰী

# মুম্বাইৰ হাতত দুদিনতে হাৰিল অসম

**মুম্বাই, ১৭ ফেব্ৰুৱাৰীঃ** ৰঞ্জি ট্ৰফিত শক্তিশালী মুম্বাইৰ বিৰুদ্ধে দুদিনতে পৰাজয় স্বীকাৰ কৰে অসমে। অসমৰ প্ৰথম ইনিংছৰ ৮৪ ৰানৰ উত্তৰত মুম্বায়ে ২৭২ ৰান কৰে। ইয়াৰ প্ৰত্যুত্তৰত দ্বিতীয় ইনিংছত কেৱল ১০৮ ৰান কৰি অসমে এক ইনিংছ আৰু ৮০ ৰানত পৰাজয় স্বীকাৰ কৰে। অসমৰ হৈ সুমিত ঘাদিগাঁওকাৰে ৩০ আৰু আব্দুল আজিজ কুৰেশ্বিয়ে ২২ ৰান কৰে। মুম্বাইৰ ছাৰ্দুল ঠাকুৰে চাৰিটা, মুহিত অৱস্থি আৰু তুষাৰ দেশপাণ্ডেই দখল কৰে দুটাকৈ উইকেট। ইয়াৰ পূৰ্বে অসমৰ প্ৰথম ইনিংছৰ ৮৪ ৰানত বিপৰীতে বেটিং কৰি কালিৰ ছয় উইকেটত ২১৭ ৰানত পৰা খেলিবলৈ আৰম্ভ কৰি ৬৪.৪ অভাৰত ২৭২ ৰান কৰি ইনিংছ সামৰে মুম্বায়ে। দলৰ হৈ শুভম ডুবেই ১১২ ৰান কৰে। অসমৰহৈ ৰঞ্জিত অভিষেক ঘটা দিবাকৰ জোহৰীয়ে পাঁচটা উইকেট দখল কৰে। মোখতাৰ হুছেইনৰ পিছত ৰঞ্জি অভিষেকত পাঁচটা উইকেট দখল কৰা দ্বিতীয় অসমীয়া ক্ৰিকেটাৰ জোহৰী। প্ৰথম ইনিংছত ১৮৮ ৰানত পিছ পৰা অসমে ৩৩ অভাৰত ১০৮ কৰি ইনিংছ ব্যৱধানত পৰাজিত হয়।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান
ই-মেইলঃ newsnextne@gmail.com